ইতিহাসৰ আদিপাঠ

# দেশৰ মানুহ

তিস্তা দাস

অনুবাদ – অৰূপ কলিতা

ছবি

ৰঞ্জিত চিত্ৰকৰ

সিৰাজউদ্দৌলা চিত্ৰকৰ

DSK

ROSA LUXEMBURG STIFTUNG SOUTH ASIA

# ইতিহাসৰ আদিপাঠ: দেশৰ মানুহ

ৰচনা- তিস্তা দাস

অনুবাদ – অৰূপ কলিতা

কলকাতা, মাৰ্চ ২০২৩

ইতিহাসৰ আদিপাঠ: দেশৰ মানুহ
কলকাতা, মাৰ্চ ২০২৩
ৰচনা – তিস্তা দাস
অনুবাদ – অৰূপ কলিতা
সম্পাদনা – অন্বেষা সেনগুপ্ত, দেবাৰতি বাগচী
ছবি – ৰঞ্জিত চিত্ৰকৰ, সিৰাজউদ্দৌলা চিত্ৰকৰ
বেটুপাত, মানচিত্ৰ আৰু পৰিকল্পনা – ৰাছিম হেলাল
মুদ্ৰণ – এছ এছ প্ৰিন্ট, নৰসিংহ লেন, ৰাজা ৰামমোহন ৰয় সৰণি, কলকাতা – ৭০০০০৯
প্ৰকাশক – ইনষ্টিটিউট অৱ ডেভ’লপমেণ্ট ষ্টাডিজ কলকাতা
২৭/ডি, ডি ডি ব্লক, চেক্টৰ ১, বিধাননগৰ, কলকাতা, পশ্চিমবংগ -৭০০০৬৪
ৱেবছাইট – www.idsk.edu.in
idsk@idskmail.com/ office@idsk.edu.in


আৰ্থিক সহযোগ – ৰোজা লুক্সেমবাৰ্গ ষ্টিফটুঙ, লায়েছন অফিচ, নতুন দিল্লী
চি -১৫, এছ ডি এ মাৰ্কেট, নতুন দিল্লী – ১১০০১৬, ভাৰত
ৱেবছাইট – https://www.rosalux.in
ই মেইল – south-asia@rosalux.org
এই কিতাপখন শিক্ষা জগতৰ লগত জড়িত বিভিন্ন চৰকাৰী, বেচৰকাৰী প্ৰতিষ্ঠান, নীতি নিৰ্ধাৰক সংস্থা, সংবাদ মাধ্যম, শিক্ষক-শিক্ষয়ত্ৰী আৰু ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ দিয়া হ’ব।

This publication is sponsored by the Rosa Luxemburg Stiftung with grants from the Federal Ministry for Economic Cooperation and Development of the Federal Republic of Germany. This publication or parts of it can be used by others for free as long as they provide a proper reference to the original publication.
The content of the publication is the sole responsibility of the partner and does not necessarily reflect a position of RLS.

# সূচীপত্ৰ


| | |
|---|---|
| আৰম্ভণিৰ কথা | ৭ |
| দেশ বিভাজন | ১৩ |
| আইন - কানুন | ১৯ |
| অনুপ্ৰৱেশকাৰী | ২১ |
| নাগৰিক আইন ২০১৯ বা CAA | ২৫ |
| ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী বা NRC | ৩০ |
| অসম | ৩৩ |
| সীমান্ত | ৩৯ |
| শেষৰ কথা | ৪৪ |

# ইতিহাসৰ আদিপাঠ: দেশৰ মানুহ




Source: https://statelesshistories.org/article/transitional-statelessness-and-its-consequences-drugs-disease-and-denial-of-care-for-refugees-in-the-new-state-of-pakistan

## ১। আৰম্ভণিৰ কথা

১৯৪৭ চনত যেতিয়া দেশ বিভাজন হৈছিল, তেতিয়া এডাল সাপৰ দৰে একা – বেঁকাকৈ দেশৰ সীমাৰেখা নিৰ্ধাৰণ কৰা হৈছিল। নদী- খাল – পৰ্বত সকলোৰে মাজেৰে অংকন কৰা হৈছিল এই সীমাৰেখা। কিন্তু সকলোবোৰ বস্তু এনেদৰে ভাগ বতৰা কৰাটো সহজ জানো? সেয়ে উদ্ভৱ হ'ল এক অদ্ভুত অৱস্থাৰ। যেনে বনগাঁ – বেনাপোল সীমান্তৰ গাতে লাগি থকা এখন গাঁও আছিল মালোপাড়া । দেশবিভাজনৰ পাছত বনগাঁ পৰিছিল পশ্চিমবংগত অৰ্থাৎ ভাৰতত আৰু বেনাপোল পূৰ্ববাংলাত অৰ্থাৎ পূৱ পাকিস্তানত। মালোপাড়া থাকি গ'ল ভাৰতত। এই গাঁৱখনৰ সীমাৰ এফালে আছিল নদী। মালাপোড়াৰ আনফালে নতুনকৈ নিৰ্ধাৰণ কৰা হ'ল আন্তৰ্জাতিক সীমান্ত। নদীৰ ইপাৰৰ ভাৰতীয় গাঁওবোৰতকৈ সীমান্তৰ সিপাৰৰ পূৰ্ববংগৰ গাঁওবোৰ আছিল মালোপাড়াৰ বহুত ওচৰত। গাঁৱৰ মানুহৰ নদী পাৰ হৈ ভাৰতলৈ আহিবলৈ বহুত অসুবিধা হৈছিল। বিপদে আপদে সেয়ে তেওঁলোক দৌৰি গৈছিল পূৰ্ব বংগৰ মানুহৰ কাষলৈ। দেশ বিভাজনৰ পাছত মালোপাড়া গাঁও ভাৰতত অন্তৰ্ভুক্ত হ'ল ঠিকেই কিন্তু সেই ঠাইৰ মানুহৰ দৈনন্দিন জীৱন যেন ভাৰতৰ পৰা সুকীয়া হৈয়েই থাকি গ'ল।

আমাৰ দেশত যে এসময়ত বৃটিছে শাসন কৰিছিল, সেই কথা আমি সকলোৱে জানো। ১৯৪৭ ত দেশৰ বিভাজনো যেনেকৈ হ'ল, দেশ স্বাধীনো হ'ল। তাৰ আগৰে পৰা ঠিৰাং হৈ গৈছিল যে স্বাধীন ভাৰত এখন গণতান্ত্ৰিক দেশ হ'ব। মানে ইয়াত ২১ বছৰ বা তাতকৈ বেছি বয়সৰ

সকলোৱে ভোটদান কৰি চৰকাৰ নিৰ্বাচিত কৰিব। সেই চৰকাৰেই দেশ চলাব। কিন্তু দেশ চলোৱা সহজ কথা নহয়। তাত বহুত নীতি নিয়ম, আইন কানুন থাকে। সেয়েহে ডাঙৰ ডাঙৰ নেতাসকলে নতুন দেশৰ নিয়ম কানুন কেনেকুৱা হ'ব, নতুন চৰকাৰ কেনেকৈ গঠন হ'ব আদি বিষয়বোৰ চিন্তা কৰিবলৈ আৰম্ভ কৰিলে। দেশ মানে কেৱল চৰকাৰ, নেতা – মন্ত্ৰী আৰু নিয়ম কানুনকেই বুজায় নেকি? দেশ মানেতো দেশৰ সকলো সাধাৰণ মানুহ বা নাগৰিক। কিন্তু ধৰি লোৱা মালোপাড়াৰ মানুহবোৰ- তেওঁলোক কাগজে কলমে ভাৰতৰ মানুহ কিন্তু তেওঁলোকৰ যোগাযোগ পূৱ পাকিস্তানৰ লগত বেছি। ভাৰতীয় হৈয়ো যেন তেওঁলোক ভাৰতীয় নহয়,আকৌ তেওঁলোক পাকিস্তানীও নহয়।সেই সময়ৰ পৰাই কোন ভাৰতীয় হয় আৰু কোন নহয়, তাক লৈ নানান আলাপ – আলোচনা আৰু তৰ্ক – বিতৰ্ক আৰম্ভ হ'ল। এই কিতাপখনত আমি সেইবোৰ কথা আলোচনা কৰিম আৰু নতুন দেশৰ নিয়ম – কানুন বোৰ বুজিবলৈ চেষ্টা কৰিম।

স্বাধীন হোৱাৰ আগলৈকে যে কিমান ধৰণৰ মানুহৰ অহা যোৱা আছিল আমাৰ দেশত ! কিন্তু দেশ যেতিয়া স্বাধীন হ'ল, তেতিয়া বৃটিছ ভাৰত টুকুৰা হৈ দুখন দেশৰ সৃষ্টি হ'ল – ভাৰত আৰু পাকিস্তান। যিবোৰ ঠাই দেশ বিভাজনৰ পাছত পাকিস্তানৰ ভাগত পৰিছিল, তাৰ পৰা সীমান্ত পাৰ হৈ হিন্দু আৰু শিখ শৰণাৰ্থীসকল ভাৰতলৈ আহিবলৈ আৰম্ভ কৰিছিল। আনহাতে, মুছলমানসকলৰ বহুতেই সীমান্ত পাৰ হৈ পাকিস্তানলৈ গুছি গৈছিল। তেওঁলোকৰ মাজৰেই কোনোবা কোনোবা অৱশ্যে আকৌ উভতিও আহিছিল। কিন্তু উভতি আহি দেখিবলৈ পালে

যে তেওঁলোকৰ ঘৰবোৰত আন কোনোবা মানুহে বসবাস কৰি আছে।

বৃটিছ ভাৰতত বহুতো দেশীয় ৰাজ্যও আছিল। অৰ্থাৎ যিসমূহ ৰাজ্যত ভাৰতীয় ৰজাই শাসন কৰিছিল। তেওঁলোক পোনপটীয়াকৈ বৃটিছৰ চৰকাৰৰ অধীনত নাছিল। যেনে ধৰা – হায়দৰাবাদ কোচবিহাৰ ইত্যাদি ।এই ৰাজ্যসমূহৰ নাগৰিকসকলৰ কথাও মনত ৰাখিব লাগিব৷ তেওঁলোক ভাৰত স্বাধীন হোৱাৰ পাছত  কাৰ অধীনত থাকিব তাক লৈ আৰম্ভ হ'ল চিন্তা চৰ্চা। ইফালে, বৰ্তমান ভাৰতৰ কোনো কোনো অঞ্চল তেতিয়াও ফৰাচী আৰু পৰ্তুগীজসকলৰ শাসনাধীন আছিল। যেনে – পডুচেৰী বা গোৱাৰ দৰে অঞ্চলবোৰ। সেই ঠাইৰ মানুহবোৰতো আছেই! আকৌ বৃটিছ শাসনৰ সময়ত  কেবাটাও প্ৰজন্মৰ যিমান ইউৰোপীয় মানুহ ভাৰতত বসবাস কৰিছিল,  তেওঁলোকৰ কথাও আহি পৰিল। আনফালে, বৃটিছ শাসনৰ সময়ত ভাৰতবৰ্ষৰ পৰাই বহুতে বিভিন্ন কৰ্মসূত্ৰে কোনোবা বাৰ্মা, কোনোবা শ্ৰীলংকা, কোনোবা মালয় বা অন্যান্য দেশলৈ গৈছিল আৰু তাত বহু বছৰ ধৰি বসবাস কৰি আছিল। এবাৰ দেশ স্বাধীন হোৱাৰ পাছত কেনেকৈ  সেই প্ৰবাসী মানুহবোৰ নতুন দেশৰ নাগৰিক হ'ব, সেইটোও চিন্তাৰ বিষয় হৈ পৰিল।

মুঠতে নানান ধৰণৰ মানুহৰ মাজত কোন ভাৰতীয়, কোন ভাৰতীয় নহয়, তাকে লৈ তেতিয়া নানান জটিলতাৰ সৃষ্টি হ'ল। কিন্তু এই যে ক'লো, ভাৰত এখন গণতান্ত্ৰিক দেশ, তাৰ মানে ইয়াত সকলো নাগৰিকৰ সমান অধিকাৰ থাকিব লাগে৷ গণতন্ত্ৰৰ নিয়ম মানি ১৯৪৮ চনৰ ২৫ মাৰ্চত চৰকাৰে বিভিন্ন ৰাজ্যক নিৰ্দেশ দিছিল যে যিমান সোনকালে সম্ভৱ হয়, নিৰ্বাচকসকলৰ তালিকা তৈয়াৰ কৰিব লাগিব। যাতে পৰৱৰ্তী নিৰ্বাচনত সকলোৱে ভোট দিয়াৰ অধিকাৰ

পায়। কিন্তু নথি অনুসৰি নাগৰিকসকলৰ ভোট দিয়াৰ অধিকাৰ আছে মানে যে সকলো সমান সেয়া কিন্তু নহয়। এই বিষয়ে অলপ কথা ইয়াতেই কম।

প্ৰথমতে আমি বুজি লওঁ যে অধিকাৰ শব্দটোৰ মানে কি? ভাবি চোৱা, নিজৰ শ্ৰেণীকোঠাত তুমি যি কৰিব পাৰা, সেয়া আনেও কৰিব পাৰে। তাৰ মানে শ্ৰেণীকোঠাত তোমাৰ আৰু তোমাৰ বন্ধুৰ অধিকাৰ সমান। তোমালোকে যি ভাবা, তাকেই ক'ব পাৰা। তোমালোক সকলোকে কিতাপ বহী দিয়া হয়। মধ্যাহ্ন ভোজন সকলোকে দিয়া হয়। এইবোৰ এজনে পাব, আনজনে নাপাব, তেনেকুৱা নিশ্চয় নহয়। আকৌ ভাবি চোৱা, তোমালোক সকলোৱে শিক্ষকৰ কথা শুনিব লাগে, স্কুলৰ নিয়ম মানি চলিবলগা হয়। এখন দেশত সকলোৱে এনেকৈ নিয়ম বা আইন মানি চলিব লাগে আৰু তেওঁলোকৰ সমান অধিকাৰ থাকিব লাগে।

কিন্তু সকলো সময়তে এনেকুৱা মুঠেও নহয়। দেশৰ নেতাসকলে বহুসময়ত এনেকুৱা নীতি নিয়ম প্ৰস্তুত কৰে যাৰ ফলত কাৰোবাৰ বিশেষ সুবিধা হয় আৰু আন কাৰোবাৰ বিশেষ অসুবিধা। আকৌ কেতিয়াবা সঠিক নিয়ম বনোৱাটোও কঠিন হৈ পৰে। এচাম নাগৰিকে হয়তো নিজৰ সুবিধাৰ বাবে আন এচাম নাগৰিকক কেতিয়াও মানি ল'ব নিবিচাৰে, সুযোগ সুবিধাও দিব নিবিচাৰে। তেওঁলোকে তেতিয়া নিয়ম সলাই পেলোৱাৰ চেষ্টা কৰে। কেতিয়াবা আকৌ কেৱল মাত্ৰ নিয়মৰ দোহাই দি চৰকাৰ আৰু পুলিচে সাধাৰণ মানুহক সাংঘাতিক অপদস্থ কৰে। সেয়ে নাগৰিকৰ সমান অধিকাৰ সকলো সময়তে বৰ্তি নাথাকে। এই ধৰণৰ বেচ কিছু কাহিনী আমি এইখন কিতাপৰ জৰিয়তে জানিব পাৰিম।

কথা হ'ল, ইমানবোৰ নিয়ম ঠিক কৰিলে কোনে? আইন তৈয়াৰ কৰাটো অৱশ্যেই কঠিন কাম। আমাৰ দেশত অন্যান্য দেশৰ দৰেই কোন নাগৰিক হয়, কোন নহয় – তাক লৈ বহুত আইন কানুন আছে। নানান সময়ত এইবোৰ আইন বনোৱা হৈছে, পাছত তাক সলোৱা হৈছে। সেই বিষয়ে অলপ অলপকৈ কওঁ আহা। প্ৰথমৰ পৰাই আৰম্ভ কৰো। দেশ স্বাধীন হোৱাৰ সেই সময়লৈ উভতি যাওঁ ব'লা– যেতিয়া দেশৰ মানুহ কোন তাক লৈ জটিলতাৰ সৃষ্টি হৈছিল।




REGISTRATION

## দেশ বিভাজন

১৯৪৭ চনত দেশ স্বাধীন হ'লেও দেশৰ আইন কানুন কিন্তু তেতিয়াই তৈয়াৰ হোৱা নাছিল। মানে সকলো লিখা পঢ়া কৰি প্ৰস্তুত কৰিবলৈ সময় লাগে। এই যে লিখিত নিয়ম কানুনৰ কথা ক'লো, সেইটোৱেই হ'ল এখন দেশৰ সংবিধান। সংবিধানেই হ'ল যাবতীয় সকলো বিধি নিয়মৰ কিতাপ।সংবিধানতে লিখা থাকে দেশ এখন কেনেকৈ চলোৱা হ'ব, নাগৰিকৰ অধিকাৰ কি হ'ব?

স্বাধীনতা লাভৰ পাছত ভাৰতৰ সংবিধান তৈয়াৰ হ'বলৈ আৰু দুবছৰমান সময় লাগিছিল। সকলো কাম শেষ হৈছিল ২৬ নৱেম্বৰ, ১৯৪৯ চনত। আৰু তাৰ দুই মাহ পাছত ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা সংবিধান বলবৎ কৰা হৈছিল। ঘোষণা কৰা হৈছিল ভাৰতবৰ্ষ এখন প্ৰজাতন্ত্ৰ অৰ্থাৎ এনেকুৱা এখন দেশ য'ত প্ৰজাসকলেই, যিয়ে দেশ শাসন কৰিব সেই নেতাসকলক নিৰ্বাচিত কৰিব। এই প্ৰজাসকলেই নাগৰিক। ইফালে সংবিধান লিখা হ'ল, ভোটৰ প্ৰস্তুতিও আৰম্ভ হ'ল। আনফালে, তেতিয়াও দেশ বিভাজনৰ বোজা চম্ভালিব পৰা নাই সাধাৰণ মানুহে। দেশৰ সীমাৰেখাও তেওঁলোকে টনা নাছিল। কিন্তু তেওঁলোকৰেই মহাবিপদ হ'ল। ধৰ্মৰ নামত দেশ ভাগ হোৱাত, ধৰ্মৰ নামতেই মাৰামাৰি চলি থাকে। সেই মাৰামাৰি আৰম্ভ হৈছিল দেশ বিভাজনৰ আগৰে পৰাই। দেশ বিভাজনৰ পাছতো সেয়া মুঠেও বন্ধ হোৱা নাছিল। এই মাৰামাৰি বা সংঘৰ্ষৰ পৰা বাচিবলৈ মানুহে সীমান্ত পাৰ হোৱা আৰম্ভ কৰিছিল। কোনজন কোনখন দেশৰ মানুহ,তাক লৈ আন এক বিবাদ চলি থাকিল। পঞ্জাৱত যেনেকৈ হিন্দু, মুছলমান আৰু

শিখসকলে সীমান্ত পাৰ হ'বলৈ ধৰে, তেনেকৈয়ে বংগতো একেই। পিছে পঞ্জাব আৰু বংগ এই দুই ঠাইত যাতায়ত আছিল দুই ধৰণৰ। পঞ্জাৱত দেশ বিভাজনৰ সময়তে তুমুল কন্দল আৰম্ভ হৈছিল। সেয়ে নিজৰ জীৱন বচাবলৈ মুছলমানসকল পাকিস্তানৰ পিনে আৰু শিখসকল ভাৰতৰ পিনে ৰাওনা হ'বলৈ আৰম্ভ কৰিলে। পঞ্জাৱত শৰণাৰ্থীসকলৰ যাতায়ত মোটামুটিভাৱে তিনিবছৰৰ ভিতৰত বন্ধ হৈ গৈছিল বুলি ক'ব পাৰি। যিমানদূৰলৈ সম্ভৱ দুয়োখন চৰকাৰেই ভগনীয়া সকলৰ যাতায়তৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। যিবোৰ মানুহ সীমান্ত পাৰ হৈ ভাৰত আহি পাইছিল, চৰকাৰে প্ৰথমৰ পৰাই তেওঁলোকৰ দায়িত্ব লৈছিল। এই সময়ত যিসকল হিন্দু আৰু শিখ ভাৰতলৈ আহিছিল, তেওঁলোকক ভাৰতীয় হিচাপে মানি লোৱা হৈছিল।

বংগৰ ক্ষেত্ৰত চৰকাৰে কিন্তু অন্য ধৰণৰ পথ গ্ৰহণ কৰিছিল। বংগত হিন্দুসকল আছিল পশ্চিমবংগত আৰু মুছলমানসকল গুছি গৈছিল পূৰ্ববংগলৈ। নিজৰ ভেটি হেৰুওৱা মানুহৰ ঢল নামিছিল সীমান্তৰ দুয়োফালে। চৰকাৰে প্ৰথমতেই সিদ্ধান্ত লৈছিল যে যিসকল মানুহ শৰণাৰ্থী হৈ দেশ বিভাজনৰ এবছৰৰ ভিতৰত গুছি আহিব, তেওঁলোকক চোৱাচিতা কৰাৰ দায়িত্ব লোৱা হ'ব। তাৰ পাছত যিসকল আহিব তেওঁলোকৰ দায়িত্ব লোৱা নহয়। সেয়েহে একেবাৰে তাৰিখ ধৰি দিয়া হ'ল যে ১৯৪৮ চনৰ জুলাই মাহ পৰ্যন্ত যিসকল আহিব তেওঁলোকক চৰকাৰে এই দেশৰ নাগৰিক বুলি মানি ল'ব। তাৰ পাছত আহিলে বেলেগকৈ নাম লিখাব লাগিব। তথাপিও মানুহৰ অহা যোৱা বন্ধ হোৱা নাছিল। বন্ধ হ'ব কেনেকৈ, ধৰ্মৰ নামত অশান্তি লাগিয়েই আছে। বংগত দেশ বিভাজনৰ বহু বছৰ পাছতো দলে দলে

শৰণাৰ্থীসকল আহিছিল। ইফালে চৰকাৰ ইমান মানুহক চিৰদিনৰ বাবে থাকিব দিবলৈ নাৰাজ। তাৰ মানে নাগৰিকৰ যি অধিকাৰ থাকে, দেশৰ য'তে ইচ্ছা তাতে থকা, আহ যাহ কৰা, কাম – কাজ কৰা, জীৱিকাৰ ব্যৱস্থা কৰা, সেইবোৰ তেওঁলোকক দিয়া নহ'ল। তথাপি মানুহবোৰ নানান ধৰণে বৈ গৈছিল, কোনোৱে নিজেই কাম – কাজ, ঘৰ – বাৰী বিচাৰি লৈছিল। আকৌ বহু শৰণাৰ্থী, যাৰ কোনো টকা – পইচা, সহায় – সম্বল নাছিল, তেওঁলোকৰ বাবে তৈয়াৰ কৰা হৈছিল কেম্প। শৰণাৰ্থীসকলে যিমানেই ষ্টেচনৰ চৌহদত, ৰাস্তাই ঘাটে ভিৰ কৰিছিল, চৰকাৰে সিমানেই তেওঁলোকক বহুদূৰৰ কেম্পলৈ পঠিয়াইছিল।

এই কেম্প বা শিবিৰবোৰ হ'ল একো একোটা আবদ্ধ ঠাই, য'ত শৰণাৰ্থীসকলক থাকিবলৈ দিয়া হৈছিল। তাত তেওঁলোকৰ ওপৰত চৰকাৰে চকু ৰাখিছিল। তেওঁলোকক কৈ দিয়া হৈছিল যে তেওঁলোক বিনা অনুমতিত তাৰ পৰা বাহিৰ ওলাব নোৱাৰে। ওলাই আহি কাম কাজ কৰিব নোৱাৰে। তেওঁলোকৰ বাবে কেম্পৰ নানান নীতি নিয়ম, বাধা নিষেধ তৈয়াৰ কৰা হৈছিল। বহুক্ষেত্ৰত পৰিয়ালৰ যিকেইজন সীমান্ত পাৰ হৈ আহিছিল, তেওঁলোক সকলোৱে একে কেম্পত ঠাই পোৱা নাছিল৷ বিধবা বা অনাথ অবিবাহিত মহিলাৰ বাবে তৈয়াৰ কৰা হৈছিল পৃথক কেম্প। আমাৰ সমাজত প্ৰায়েই ছোৱালীবোৰক দুৰ্বল বুলি ভবা হয়। চৰকাৰেও কথাটো তেনেকৈয়ে ভাবিছিল। চৰকাৰে ভাবিছিল এই অকলশৰীয়া ছোৱালীবোৰে নিজক চোৱাচিতা কৰিব নোৱাৰিব। চৰকাৰৰ ওপৰত গোটেই জীৱন তেওঁলোক নিৰ্ভৰশীল হৈ থাকিব। সেয়েহে তেওঁলোকৰ বাবে বিশেষ ব্যৱস্থা লোৱা হৈছিল। এইসকল ছোৱালীৰ ওপৰত

কেম্পৰ বাধা নিযেধো আছিল অন্য ধৰণৰ।  তেওঁলোকৰ লগত যদি সন্তান থাকে, সিহঁতৰ বাবেও আছিল নানান নিয়ম। ল'ৰাবোৰ অলপ ডাঙৰ হ'লেই এটা সময়ত মাকৰ কেম্পৰ পৰা আঁতৰাই আনি অন্য কেম্পত ৰখা হৈছিল। অলপ কিবা উপাৰ্জন কৰিব পাৰিলেই পৰিয়ালৰ ল'ৰাবোৰে সমগ্ৰ পৰিয়ালটোৰ ভৰণ – পোষণৰ দায়িত্ব ল'ব লাগিব, এইটো ঠিৰাং কৰা হ'ল। কেম্পত ল'ৰাবোৰক এক ধৰণৰ কাম দিয়া হৈছিল আৰু ছোৱালীবোৰক অন্যধৰণৰ৷ ভাবি চোৱা, এখন দেশৰ ভিতৰত অধিকাৰৰ কিমান প্ৰভেদ? এটা সীমাৰ ভিতৰত যেন  আন বহু সীমা সোমাই থাকে ! এখন দেশৰ সীমা পাৰ হৈ আন এখন দেশত সোমাৱাৰ পাছত আকৌ আৱদ্ধ হৈ পৰে  শৰণাৰ্থী শিবিৰত৷ যেন এখন দেশৰ ভিতৰত আন এখন দেশ। আকৌ সকলো শৰণাৰ্থীকে কিন্তু চৰকাৰে একেই ধৰণে চোৱাচিতা কৰিব পৰা নাছিল। একেই দেশ, একেই সমস্যাত পৰা শৰণাৰ্থী, তেওঁলোকৰ বাবে কিন্তু চৰকাৰে কৰা ব্যৱস্থা আছিল বেলেগ বেলেগ।

জটিলতা কেৱল এটাই নহয় ন! বহু সময়ত এনে হৈছিল যে এই দেশত কাজিয়া – মাৰপিট হোৱাৰ লগে লগেই কিছু মুছলমানে সীমা পাৰ হৈ পাকিস্তানলৈ গুচি গৈছিল। তাৰ পাছত কাজিয়া কিছু শাম কাটিলে আকৌ ভাৰতলৈ উভতি আহিছিল। একেদৰে বহু হিন্দুৱে কেতিয়াবা পূৰ্ব বংগত, কেতিয়াবা পশ্চিম বংগত আশ্ৰয় বিচাৰিছিল। এওঁলোকক লৈ চৰকাৰ মহা দোমোজাত পৰিল।  এই মানুহবিলাকক নাগৰিক হিচাপে ঠাই দিব নিবিচাৰিলে কোনেও। এওঁলোকক লৈ নেতাসকলৰ মাজত ঘোৰ বিবাদ আৰম্ভ হ'ল। এচামে ক'লে, এবাৰ দেশ এৰিছে যেতিয়া, তেওঁলোকে আৰু আগৰ দৰে থাকিব নোৱাৰে। আন এচামে তেতিয়া ক'লে

তেওঁলোকেতো নিজৰ ইচ্ছাত দেশ এৰি যোৱা নাছিল। কাজিয়া – সংঘৰ্ষৰ বাবেহে দেশ এৰিবলৈ বাধ্য হৈছিল। ইতিমধ্যে তেওঁলোকৰ ঘৰ– বাৰী সমস্ত আন মানুহে দখল কৰি লৈছে। নিজৰ দেশলৈ উভতি এই মানুহবোৰ পৰিল মহা বিপদত। একেবাৰে লিখিত ৰূপত নক’লেও, চৰকাৰ তেওঁলোকক ওভতাই অনাত আগ্ৰহী নাছিল। মুঠতে বৃটিছ গুছি যোৱাৰ পাছত ভাৰতীয়সকল কাগজে পত্ৰই নাগৰিক হৈছিল হ’লেও কোন ভাৰতীয় হয় আৰু কোন নহয়, তাক লৈহে বেমেজালি লাগিছিল। এই বেমেজালিৰ মূলতেই আছিল সেই দেশ বিভাজন, মাৰামাৰি আৰু প্ৰাণৰ ভয়ত মানুহৰ সীমান্তৰ ইফালে সিফালে দৌৰাদৌৰি।


Refugee Registration Card

Book No-
Registration No - Date - Place-
Name ( Head of the family)- Caste -
Present Address-
Village or town- PO-
Date of Departure -
Date of Arrival in Indian Union -
Date of Reporting in any Govt. Camp -
Past Occupation Present Occupation
Total Member in the Family - Name & Age


১৯৭১
নাগৰিক
১৯৫৫
নাগৰিক
১৯৬৬
নাগৰিক
২০০৩
নাগৰিক
১৯৮৬
নাগৰিক
১৯৫০
নাগৰিক

## আইন-কানুন

এইবোৰ হুলস্থূলৰ মাজত সংবিধানৰ নিয়ম মানি ১৯৫১-৫২ চনত কেইবামাহ ধৰি স্বাধীন ভাৰতৰ প্ৰথম নিৰ্বাচন অনুষ্ঠিত হৈছিল। মানুহে ভোট দিছিল। তাৰ পাছত ১৯৫৫ চনত আৰম্ভ হৈছিল নাগৰিক আইন। তাৰ মানে কাগজে পত্ৰই স্বাধীন ভাৰতৰ নাগৰিক আইন তৈয়াৰ হোৱাৰ পূৰ্বেই কিন্তু ভোট দিয়াৰ অধিকাৰ আহি গৈছিল। আৰু ভোট দিয়াৰ অধিকাৰতো নাগৰিকসকলৰেই থাকে। ইয়াৰ অৰ্থ পৃথক নাগৰিক আইন প্ৰচলিত হোৱাৰ আগতেও ভাৰতীয়সকল নাগৰিক আছিল।কিন্তু আইন মানেই জানো চন তাৰিখ ধৰি চৰকাৰে কোন নাগৰিক হ'ব, কোন নহ'ব সেয়া কৈ দিয়া !১৯৫৫ চনৰ আইনত কোৱা হৈছিল যিয়ে ভাৰতত জন্মিছে তেওঁলোক ভাৰতীয় নাগৰিক। ১৯৫৫ চনৰ এই আইন কিন্তু পৰৱৰ্তী সময়ত বহুবাৰ সংশোধন কৰা হৈছে।চন হিচাপত ১৯৮৬, ২০০৩,২০০৫,২০১৫আৰু ২০১৯ চনত নাগৰিকত্ব আইনত নতুন নতুন অংশ সংযোগ কৰা হৈছে। ইমান সালসলনিৰ মাজত চৰকাৰে প্ৰতিবাৰে নতুনকৈ ঠিক কৰিছে কাক নাগৰিক হিচাপে মানি লোৱা নহ'ব। এই নিয়ম সলনিৰ সময়ত প্ৰতিবাৰেই কিছু মানুহ বাদ পৰি গৈছে। ১৯৮৬ ত যেনেকৈ আইন অলপ সলনি কৰিয়েই চৰকাৰে ঘোষণা কৰিছিল যে যিসকলে ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা ১৯৮৭ চনৰ ১ জুলাইলৈকে ভাৰতত জন্মিছে বা জন্মিব, তেওঁলোক হ'ব এই দেশৰ নাগৰিক। তাৰ পাছত জন্ম হ'লে নিয়ম হ'ব বেলেগ ধৰণৰ। তাৰ পাছত জন্ম হ'লে তেওঁলোকৰ মাক দেউতাক কোন দেশৰ মানুহ, তাৰ ওপৰত নিৰ্ভৰ কৰিব, তেওঁ নাগৰিক হয় নে নহয়।

আচলতে ১৯৮৬ চনৰ আগতে এটা ডাঙৰ পৰিৱৰ্তন হৈছিল ভাৰত উপ – মহাদেশৰ মানচিত্ৰত। ১৯৭১ চনত পাকিস্তান দেশখন আৰু এবাৰ ভাগ হৈছিল। জন্ম হৈছিল বাংলাদেশৰ৷ এই ভাগ হোৱাৰ সময়ত কাজিয়া হোৱাত বহু মানুহ সীমান্ত পাৰ হৈ ভাৰতৰ পূৱ দিশৰ ৰাজ্যসমূহত আহিবলৈ আৰম্ভ কৰে। আকৌ গৃহহীন হ'ল বহু মানুহ। এই আহ যাহ  বন্ধই নহয়, বছৰৰ পাছত বছৰ জুৰি মানুহে সীমান্ত পাৰাপাৰ কৰে নিৰাপদ আশ্ৰয়ৰ সন্ধানত। আমাৰ দেশৰ চৰকাৰে ভাবিলে এই যাতায়তৰ যৱনিকা পেলোৱাটো দৰকাৰ। সেইমতে তেওঁলোকে ঠিক কৰিলে যে বিভিন্ন সময়ত ভাৰতলৈ যিসকল মানুহ আহিছে, তেওঁলোক সকলোৰে বংশধৰসকলক নাগৰিকত্ব দিব পৰা নাযাব। সেয়েহে ১৯৮৬ চনত অলপ সলোৱা হৈছিল ১৯৫৫ চনৰ আইন। আকৌ অসমৰ ক্ষেত্ৰত আছিল পৃথক নানান নিয়ম। সেইবোৰ কথা পাছত কম।

২০০৩ ত আকৌ আইন সলনি হ'ল। এইবাৰ কোৱা হ'ল, যিসকল ২০০৪ চনৰ ৪ ডিচেম্বৰৰ পাছত জন্ম লাভ কৰিব, তেওঁলোক নাগৰিক হ'বলৈ হ'লে বাপেক মাক দুয়োজন ভাৰতীয় হ'ব লাগিব।  সেয়া যদি নহয়, তেনেহ'লে অন্তত: এজন ভাৰতীয় হ'ব লাগিব আৰু চাব লাগিব আনজন যাতে কোনোপধ্যেই অনুপ্ৰৱেশকাৰী নহয়। কিন্তু কোন এই অনুপ্ৰৱেশকাৰী? অনুপ্ৰৱেশকাৰীৰ বিষয়ে  বুজিবলৈ দেশবিভাজনৰ সময়লৈ আকৌ এবাৰ উভতি যাব লাগিব৷ তাৰ পাছত আকৌ উভতিম আইন সলনিৰ কথালৈ।

## অনুপ্ৰৱেশকাৰী

দেশবিভাজনৰ আগতে ভাৰত বা পাকিস্তান নাছিল। সেয়েহে তেতিয়া মানুহে বৃটিছ ভাৰতৰ ভিতৰৰ অধীনলৈ যিকোনো ঠাইলৈ যেতিয়াই ইচ্ছা তেতিয়াই যাব পাৰিছিল। দেশ বিভাজনৰ পাছত এনে সহজ চলাচল বন্ধ হ'ল। সীমান্তৰ দুয়োপাৰৰ মানুহ এজন আনজনৰ বাবে বিদেশী হৈ গ'ল। কিন্তু এই সীমান্তৰ একেবাৰে কাষত যিসকল আছিল, তেওঁলোকৰ বহুতেই আগৰ দৰে যাতায়ত কৰাৰ চেষ্টা কৰিছিল।কি কৰিব, বন্ধু – বান্ধৱ, হাট – বজাৰ এনে বহু কিবাই যে সীমান্তৰ সিপাৰে। ইফালে আগতেই কৈছো, দাংগাৰ ফলত মানুহ সীমান্ত পাৰ হৈ এখন দেশৰপৰা সিখন দেশলৈ যাবলৈ বাধ্য হৈছিল। আৰম্ভণিৰ ফালে চৰকাৰে ভাবিছিল, এনেকৈ বেছিদিন নচলে। কিন্তু দেখা গ'ল সীমান্ত পাৰ হৈ মানুহ আহিয়েই আছে, আহিয়েই আছে। সকলোতকৈ গণ্ডগোল লাগিছিল, সেইসকল মুছলমানক লৈ যিসকল দেশ বিভাজনৰ সময়ত হোৱা পৰিস্থিতিৰ বাবে ভাৰতৰ পৰা পাকিস্তানলৈ গুছি গৈছিল। তাৰ পাছত নানা কাৰণত আকৌ উভতি আহিছিল ভাৰতলৈ। এনেধৰণৰ মুছলমানক চৰকাৰে কিন্তু প্ৰথমৰ পৰাই সন্দেহৰ চকুৰে চাইছিল। মন্ত্ৰী – আমোলাসকলৰ মুছলমানসকলক লৈ প্ৰধান চিন্তা এটাই আছিল যে তেওঁলোক কেৱল নিজৰ ঘৰলৈ ঘূৰি আহিবৰ বাবেই সীমান্ত পাৰ হৈছে নে পাকিস্তানৰ চোৰাংচোৱা হৈ আমাৰ দেশত সোমাই পৰিছে। সেয়েহে সীমান্ত পাৰ হৈ অহা সকলো মুছলমান ভাৰত চৰকাৰৰ চকুত সন্দেহজনক হৈ পৰিছিল। তেওঁলোকৰ বহুতকে ভাৰত চৰকাৰে কাগজে কলমে ভাৰতীয় হিচাপে স্বীকাৰ কৰা নাছিল৷

তেওঁলোকতো শৰণাৰ্থীও নহয়, তেওঁলোক নিজৰ দেশলৈকে উভতিছে। এই মানুহবোৰ চৰকাৰৰ চকুত বে- আইনী হৈ গ'ল। চৰকাৰী ভাষাত তেওঁলোক অনুপ্ৰৱেশকাৰী। মানে যিসকল অন্য দেশৰ পৰা আহিছে। কিন্তু না তেওঁলোক শৰণাৰ্থী না তেওঁলোকৰ এই দেশত প্ৰৱেশ কৰাৰ অনুমতি আছে। চৰকাৰৰ মতে তেওঁলোকে ভাৰতত প্ৰৱেশ কৰাটোৱেই অন্যায়। তেওঁলোকক ধৰিব পাৰিলে চৰকাৰে শাস্তি দিব, ঘূৰাই পঠিওৱাৰ চেষ্টা কৰিব।

কিছু কিছু ঠাইত আন এক বিপদ ঘটিছিল। পূৰ্ব বংগৰ পৰা ব'ৰ্ডাৰ পাৰ হৈ যেতিয়া শৰণাৰ্থীসকল ভাৰতলৈ আহিবলৈ ধৰিছিল, য'ত তেওঁলোকে থিতাপি ল'লে, তাত থকা মানুহবোৰৰ খঙ উঠিল। তেওঁলোকৰ ভয় হ'ল শৰণাৰ্থীসকলে তেওঁলোকৰ মাটি বাৰী কাঢ়ি ল'ব। যেনে ধৰা, ত্ৰিপুৰাত কোনো কোনো ঠাইত বাঙালী হিন্দু শৰণাৰ্থীসকল আহি সেই ঠাইৰ স্থায়ী বাসিন্দাসকলক আঁতৰাই পঠিয়াবলৈ আৰম্ভ কৰিছিল। ত্ৰিপুৰাত কিন্তু কেৱল দেশ বিভাজনৰ পাছতেই নহয়, তাৰ আগত বৃটিছ আমোলতো এনে পৰিস্থিতিৰ উদ্ভৱ  হৈছিল। এই ৰাজ্যত নানান সময়ত বাঙালীসকলে স্থায়ী বাসিন্দাসকলক আঁতৰাই পঠিয়াই নিজৰ ঘৰ দুৱাৰ বনাইছিল। বাঙালীসকল লিখা – পঢ়াত আগবঢ়া আছিল, সেয়ে বৃটিছ চৰকাৰে তেওঁলোকক কামত লগাব পাৰিছিল। সেয়ে চৰকাৰেও তেওঁলোকক আঁতৰাব বিচৰা নাছিল। ফলত সেই ঠাইৰ পূৰ্বৰ বাসিন্দাসকলৰ খঙ বাঙালীসকলৰ ওপচৰত চিৰকালেই আছিল। দেশবিভাজনৰ পাছত যেতিয়া দলে বলে হিন্দু বাঙালী শৰণাৰ্থী আহিবলৈ আৰম্ভ কৰিলে, তেতিয়া নতুন চৰকাৰে বিষয়টোক লৈ ভাবিবলৈ বাধ্য হৈছিল। পূৰ্বৰ বাসিন্দাসকল খঙত থাকিলে ভোটত জিকা মস্কিল। সেয়ে চৰকাৰে নিয়ম কানুন বনাই শৰণাৰ্থীসকল অহাটো বন্ধ কৰাৰ চেষ্টা কৰিলে।

কোনোবা কোনোবাক কোৱা হ'ল যে তেওঁলোক এই দেশলৈ অহাটো বে- আইনী হৈছে। যিসকলে জোৰ কৰি নিয়ম ভাঙি সোমাই পৰিছে তেওঁলোক হ'ল 'অনুপ্ৰৱেশকাৰী'। কেৱল ত্ৰিপুৰাই নহয়, সীমান্তৰ কাষৰ সকলো ৰাজ্যতেই কোন অনুপ্ৰৱেশকাৰী, তাক লৈ চৰকাৰ আৰু সেই ঠাইৰ মানুহৰ মূৰৰ কামোৰণি। পশ্চিমবংগ, অসম সকলো ৰাজ্যতে প্ৰায়ে শুনা যায় এই শব্দটো।

অনুপ্ৰৱেশকাৰীসকল কিন্তু শৰণাৰ্থীসকলতকৈ পৃথক। চৰকাৰে শৰণাৰ্থী বুলি কাৰোবাক স্বীকৃতি দিলে তেওঁলোকৰ থকা খোৱাৰ ব্যৱস্থা কৰিলেহঁতেন। কিন্তু যিসকলক শৰণাৰ্থী বুলি গণ্য কৰা নহ'ল, তেওঁলোকক অনুপ্ৰৱেশকাৰী বুলি গণ্য কৰি উভতাই পঠিওৱা বা শাস্তি দিয়াৰ কথা ভবা হ'ল। আমাৰ দেশৰ ইতিহাস পঢ়িলে পাবা যে এই সীমা টনাৰ ফলত নাগৰিকসকলৰ অধিকাৰ কেনেকৈ মাজে মাজে হেৰাই যায়। যি আছিল একে দেশৰ মানুহ, তেওঁ হৈ পৰে অনুপ্ৰৱেশকাৰী।




We are all
Indians

## নাগৰিক আইন ২০১৯ বা CAA

২০১৯ চনত চৰকাৰে আকৌ এবাৰ নাগৰিক আইন সলোৱাৰ কথা ক'লে।আইনৰ সাল সলনি কৰাৰো কিন্তু এটা নিয়ম আছে। আইন প্ৰণয়ন বা সলনি কৰা হয় দেশৰ সংসদত নাইবা নানান ৰাজ্যৰ বিধানসভাত। প্ৰথমতে সলনিৰ প্ৰস্তাৱ তৈয়াৰ কৰা হয়, যাক কোৱা হয় বিল (bill)। তাৰ পাছত বেছিভাগ সদস্যই মানি ল'লে সেয়া আইন বা act ত পৰিণত হয়। এইধৰণৰ এখন বিলকেই ২০১৯ চনৰ ডিচেম্বৰ মাহত দেশৰ সংসদত আইনত পৰিণত কৰা হ'ল। এই আইনৰ নাম Citizenship (Amendment) Act, বা চমুকৈ CAA। শব্দবিলাক টান হ'লেও অৰ্থ কিন্তু সহজ। Citizenship মানে নাগৰিকত্ব, amendment মানে সংশোধন বা সালসলনি। এই আইনত কোৱা হ'ল যে ৬ টা ধৰ্মীয় গোষ্ঠীৰ মানুহে যদি বাংলাদেশ, পাকিস্তান আৰু আফগানিস্তানৰ পৰা ৩১ ডিচেম্বৰ ২০১৪ ৰ ভিতৰত ভাৰতত আহি বসবাস কৰিছে, তেনেহ'লে তেওঁলোকক নাগৰিক হিচাপে মানি লোৱা হ'ব। এই ৬ টা ধৰ্মীয় গোষ্ঠী হ'ল – হিন্দু, শিখ, বৌদ্ধ, জৈন, পাৰ্ছি আৰু খ্ৰীষ্টান। তোমালোকে নিশ্চয় এই কথা ভাবি অবাক হৈছা যে কেৱল তিনিখন দেশৰ কথাই কিয় কোৱা হৈছে আৰু মুছলমানৰ কথা কোৱা নহ'ল কিয়? এয়া আচৰিত হ'বলগীয়া কথাই আৰু সঁচাকৈ বহু লোক আচৰিত হৈ পৰিল । তেওঁলোকৰ প্ৰশ্নৰ উত্তৰত চৰকাৰে জনালে যে যিহেতু এই দেশবোৰৰ বেছিভাগ মানুহ মুছলমান, সেয়ে অন্যান্য ধৰ্মৰ মানুহ দাংগা, মাৰামাৰিৰ ভয়ত

পলাই আহিছে। মুছলমানসকলৰ এই ধৰণৰ কোনো ভয় নাই। এই যুক্তি দেখুৱাই চৰকাৰে ক'লে, মুছলমানসকলৰ প্ৰাণৰ ভয় নাথাকিলে সীমান্ত পাৰ হোৱাৰ কি দৰকাৰ থাকিব? কিন্তু এই কথাটোও সম্পূৰ্ণ সঠিক নহয়। সীমান্ত পাৰ হোৱাৰা অনেক কাৰণ থাকিব পাৰে, যেনে- বানপানী, ধুমুহা, খৰাঙৰ বাবেও বহুতে সীমান্ত পাৰ হ'ব পাৰে। আকৌ মুছলমান যি দেশত বেছি সেই দেশত মুছলমানৰ প্ৰাণৰ ভয় নাই, সেই কথাটোও সঠিক নহয়। মুছলমান সমাজত নানান ভাগ আছে। পাকিস্তান, বাংলাদেশ বা আফগানিস্তানত ছিয়া মুছলমান বা আহমদিয়া মুছলমানৰ ওপৰত সংখ্যাত বেছি থকা ছুন্নী মুছলমানসকলে বহু সময়ত অত্যাচাৰ কৰিছে৷ আকৌ ভাৰতৰ আন এখন প্ৰতিৱেশী দেশ ম্যানমাৰ। তাত হোৱা দাংগাৰ বাবে বহু মুছলমান সীমান্ত পাৰ হৈ বাংলাদেশলৈ আহিছে, কিছু মানুহ ভাৰতলৈও আহিছে। সেয়েহে কেৱল তিনিখন দেশ আৰু ছটা ধৰ্মৰ কথা কোৱাটো যে সঠিক নহয়, সেয়াতো বুজাই গৈছে। আচলতে দেশবিভাজনৰ সময়ৰ পৰাই মুছলমানসকলক সন্দেহৰ চকুৰে চাই আহিছে চৰকাৰে! এই আইনো সেই সন্দেহৰ পৰাই তৈয়াৰ কৰা হৈছে।

২০১৯ চনত এই আইন গৃহীত হোৱাৰ পাছত মুছলমানৰ মনতো এক ভয় সোমাল। তেওঁলোকে ভাবিলে যে নতুন নাগৰিক আইন অনুসৰি যদি তেওঁলোকে নিজৰ কাগজ পত্ৰ, মাক – দেউতাকৰ কাগজ পত্ৰ, দলিল – দস্তাৱেজ এইবোৰ দেখুৱাব নোৱাৰে, তেনেহ'লে তেওঁলোকৰ কি দশা হ'ব? তেওঁলোক যে নাগৰিক, অনুপ্ৰৱেশকাৰী নহয়, এই কথা কেনেকৈ

বুজাব? আমাৰ কিমানজনৰে বা এনে কাগজ পত্ৰ যত্ন কৰি ৰাখি থোৱা থাকে? আমাৰ দেশত যে ইমান মুছলমান বছৰ বছৰ ধৰি আছে, হয়তো তেওঁলোকৰ মাক – বাপেক জীয়াই থকা নাই বা তেওঁলোকৰ জন্ম – মৃত্যুৰ কাগজ পত্ৰ একোয়েই ৰাখি থোৱা নাই, তেওঁলোকে কিদৰে প্ৰমাণ কৰিব যে তেওঁলোক বাহিৰৰ পৰা অহা নাই,এই দেশৰে নাগৰিক। তেওঁলোকে খুব ভয় খালে, কাগজ পত্ৰ দেখুৱাব নোৱাৰিলে যদি দেশৰ পৰা গুচি যোৱাৰ কথা কোৱা হয় ? দেশৰ আৰু বহু মানুহৰ এনে লাগিল যে এয়া খুব অন্যায় নিয়ম, এই নিয়ম মানা উচিত নহয়।

২০১৯ চনৰ ডিচেম্বৰ মাহৰ পৰা দেশৰ বিভিন্ন ঠাইত আৰম্ভ হ'ল আন্দোলন, আৰম্ভ হ'ল সংগ্ৰাম। ছাত্ৰ – ছাত্ৰী, সকলো বয়সৰ সৰ্বসাধাৰণ মানুহ, সকলোৱে এই আন্দোলনত যোগ দিলে। দিল্লীৰ শ্বাহীন বাগ নামৰ ঠাইত ডিচেম্বৰৰ হাড় কঁপোৱা শীতৰ মাজতো এদল মহিলাই আন্দোলন আৰম্ভ কৰিলে। তেওঁলোকৰ মাজত বহু বয়সস্থ মহিলাও আছিল। যেনে – বিলকিছ আইতা। আইতাৰ বয়স প্ৰায় ৮২। শীতে কিন্তু আইতাক কাবু কৰিব পৰা নাছিল। তেওঁ দৃঢ়তাৰে ক'লে যে এই কাম তেওঁ তেওঁৰ পৰৱৰ্তী প্ৰজন্মৰ বাবে কৰিছে। ভয় খালেতো নচলিব৷ আইতাই আন বহুতৰে দৰে শ্বাহীন বাগতেই তম্বু তৰি থাকিবলৈ আৰম্ভ কৰিলে। তাৰ পৰা যেন তেওঁক লৰাব পৰা নগ'ল। আইতাই ক'লে – ঝান্সীৰ ৰাণীয়ে যিদৰে নিৰ্ভয়ে যুদ্ধ কৰি গৈছিল, তেৱোঁ কৰিব। ২৬ জানুৱাৰী, আমাৰ প্ৰজাতন্ত্ৰ দিৱসৰ দিনা, আইতাই আন বহুতৰে লগত পতাকা উত্তোলন কৰিলে। প্ৰজাতন্ত্ৰত সকলো নাগৰিকৰে যে সমান অধিকাৰ

থকাৰ কথা আৰু সেয়া যে কোনো চৰকাৰেই কাঢ়ি নিয়া উচিত নহয়, সেই কথাকেই আইতা আৰু আনসকলে বুজাবলৈ বিচাৰিলে।

| চন | কি কোৱা হ'ল |
|---|---|
| ১৯৫৫ | ● ভাৰতত যিসকলে জন্ম লাভ কৰিছে, তেওঁলোক ভাৰতৰ নাগৰিক।<br>● দেশৰ বাহিৰত জন্মিলেও মাক দেউতাক ভাৰতীয় হ'লে দেশৰ নাগৰিক হ'ব পাৰিব<br>● পাৰিবাৰিক সূত্ৰে ভাৰতীয় হ'লে, চৰকাৰৰ ওচৰত নাগৰিক হোৱাৰ বাবে আবেদন কৰিব পাৰিব<br>● অন্য দেশৰ মানুহ, যিসকল অনুপ্ৰৱেশকাৰী নহয়, দেশত বহু বছৰ বসবাস কৰিলে নাগৰিক হোৱাৰ বাবে আবেদন কৰিব পাৰিব |
| ১৯৮৬ | যিসকলে ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা ১৯৮৭ চনৰ ১ জুলাইৰ ভিতৰত জন্ম লাভ কৰিছে বা জন্মলাভ কৰিব, তেওঁলোক ভাৰতীয় নাগৰিক। |
| ২০০৩ | যিসকলে ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা ১৯৮৭ চনৰ ১ জুলাইৰ ভিতৰত জন্ম লাভ কৰিছে বা জন্মলাভ কৰিব, তেওঁলোক ভাৰতীয় নাগৰিক। |
| ২০০৫ | অসমত বসবাস কৰা আন দেশৰমানুহক নাগৰিক বুলি ক'ব পৰা যাব নে |

| | |
|---|---|
| | নাই, সেইটো এতিয়াৰ পৰা বিদেশীৰ বাবে যি বিশেষ আইন আছে, যাৰ নাম Foreigners Act, 1946 আৰু Foreigners (Tribunals) Order, 1964, ৰ দ্বাৰা বিবেচনা কৰা হ'ব। |
| ২০১৫ | দেশৰ বাহিৰত বসবাসকাৰী ভাৰতীয়সকলৰ মাজত কোনসকলক নাগৰিক হিচাপে মানি লোৱা হ'ব সেই সংক্ৰান্তীয় নিয়ম কৰা হ'ল। |
| ২০১৯ | Citizenship (Amendment) Act প্ৰনয়ণ কৰা হ'ল। |



## ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী বা NRC

CAA ক লৈ যেতিয়া সমগ্ৰ দেশত খুব হৈ চৈ, তেতিয়া আৰু এটা শব্দ খুব শুনা গ'ল। সেই শব্দটো হ'ল NRC বা National Register of Citizens (নেচনেল ৰেজিষ্টাৰ অৱ চিটিজেন)। এয়া একধৰণৰ তালিকা। যি তালিকা ২০০৩ চনত অসমত প্ৰস্তুত কৰিবলৈ লোৱা হৈছিল। সেই বছৰত নাগৰিক আইন যেতিয়া সংশোধন কৰা হ'ল, তেতিয়াই চৰকাৰে ক'লে যে অসমৰ বাবে এইধৰণৰ তালিকা প্ৰস্তুত কৰিব লাগিব যাৰ পৰা বুজা যাব যে কোন নাগৰিক হয় বা কোন নহয়। কাম আৰম্ভ কৰোতে কৰোতে বেছ কিছু বছৰ হৈ গ'ল। দুই এক স্থানত এন আৰ চিৰ কাম আৰম্ভ হোৱাৰ পাছত মানুহৰ আপত্তিত সেই কাম থমকি ৰ'ল। অৱশেষত ২০১৩ চনত সেই তালিকাৰ কাম স্থায়ীভাৱে আৰম্ভ হ'ল আৰু ২০১৯ চনত প্ৰকাশিত হৈ ওলাল।

তোমালোকে নিশ্চয় ভাবিছা যে অসমত এইধৰণৰ বিশেষ ব্যৱস্থা লোৱা হ'ল কিয়? সেই কথা ক'ম। কিন্তু তাৰ আগতে কৈ লওঁ নাগৰিকসকলৰ তালিকা বা ৰেজিষ্টাৰৰ কথা। যেতিয়া CAA ক লৈ খুব হুলস্থূল চলিছে চৰকাৰে ক'বলৈ আৰম্ভ কৰিলে যে গোটেই দেশতে এনেকুৱা তালিকা প্ৰস্তুত কৰিব লাগিব। ২০১৯ চনত অসমত যেতিয়া তালিকা প্ৰকাশ পালে, তেতিয়া দেখা গ'ল বহু মানুহ সেই তালিকাৰ পৰা বাদ পৰিছে। তেওঁলোকৰ মাজত মুছলমান যেনেকৈ আছে, তেনেকৈ আছে হিন্দুসকলো। যি দেশত, যি ঠাইত তেওঁলোক কেইবা প্ৰজন্ম ধৰি আছে, হঠাৎ কোৱা হ'ল যে তেওঁলোক তাৰ মানুহ নহয়। নাগৰিকৰ কোনো অধিকাৰ তেওঁলোকৰ আৰু নাথাকিব। ক'ব পাৰি, তেওঁলোক কোনো দেশৰেই নহ'ল। ভাবি চোৱা, যি দেশত নাগৰিক হিচাপে থকাৰ মোৰ অধিকাৰ নাই, সেই দেশ জানো মোৰ নিজৰ হ'ব পাৰে? ইফালে, তেওঁলোক

অন্য কোনো দেশৰ নাগৰিকো নহয়। এবাৰ ভাবি চোৱা, এই ব্যৱস্থা যদি গোটেই দেশতে প্ৰচলিত হয়, কিমান মানুহ বিপদত পৰিব?

ইয়াতেই তোমালোকক কৈ থও, এই তালিকা প্ৰস্তুত কৰাৰ পদ্ধতি কেনেকুৱা? এই NRC প্ৰস্তুত হয় আন এখন তালিকাৰ ভিত্তিত, যাক কোৱা হয় National Population Register। নামৰ পৰাই বুজিব পাৰিছা – দুখন দুই ধৰণৰ তালিকা। এই NPR মানুহৰ ঘৰে ঘৰে গৈ প্ৰস্তুত কৰা হয়। এই তালিকাত নাগৰিকৰ নাম থাকে।। আকৌ চৰকাৰে যিসকলক নাগৰিক হিচাপে মানি নলয়, তেওঁলোকৰো নাম থাকে। সহজ ভাষাত জনসংখ্যা বা population বুলিলে দেশৰ সকলো মানুহকে বুজায়, তেওঁ লাগিলে দেশৰ নাগৰিক হওকেই বা বিদেশী। এইবাৰ ইয়াৰ পৰাই বাচি, পৃথক কৰি, কাগজ – পত্ৰ মিলাই, কেৱল নাগৰিকসকলৰ যি তালিকা প্ৰস্তুত কৰাৰ কথা কোৱা হ’ল তাৰ নাম হ’ল NRC বা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী। CAA ক লৈ যেতিয়া সকলো ভয়ত কোঁচ খাই আছে, তেতিয়া চৰকাৰে দেশজুৰি নতুনকৈ NPR আৰু তাৰ ভিত্তিত NRC প্ৰস্তুত কৰাৰ কথা ক’লে। তাৰ মানে অসমত যেনেকৈ হৈছে, তেনেকৈ গোটেই দেশতেই তালিকা হ’ব, সেই তালিকাত সকলোৰে নাম, তেওঁলোক ক’ৰ বাসিন্দা সকলো তথ্য থাকিব। ইমানবোৰ কাগজ পত্ৰ নাথাকিলেতো বিপদ! তেতিয়া যিসকলৰ কাগজ পত্ৰ নাথাকিব, তেওঁলোকৰ নাগৰিকত্ব সন্দেহৰ বিষয় হৈ পৰিব। সেইবাবেই বিলকিছ আইতাৰ দৰে যিসকলে ক’লে CAA নিবিচাৰো, তেওঁলোকে সমান্তৰালভাৱে NPR আৰু NRC নিবিচাৰো বুলিও আন্দোলন কৰিলে।



## অসম

১৯৭১ ত পকিস্তান দেশখন টুকুৰা হৈ বাংলাদেশ গঠন হৈছিল। কিন্তু তাৰ আগত কিছুদিন চলিছিল পূব পাকিস্তান আৰু পশ্চিম পাকিস্তানৰ মাজত যুদ্ধ। পূবৰ মানুহে নিজৰ বাবে পৃথক দেশ বিচাৰিছিল। এই গণ্ডগোলৰ সময়ত বহু মানুহে ঘৰ বাৰী হেৰুৱালে। এই গৃহহাৰা মানুহবোৰৰ বহুতেই অসম আহি পালে। কিয় আহিল, সেয়া তোমালোকে মানচিত্ৰ দেখিলেই বুজিব পাৰিবা। সীমান্ত পাৰ হ'লেই ওচৰতে পৰে অসম, ত্ৰিপুৰা, পশ্চিমবংগৰ দৰে ৰাজ্যবোৰ। সেয়ে এইকেইখন ৰাজ্যলৈ অহাটোও সহজ।তাৰ বাহিৰেও বহুতৰে চিনাকি পৰিচিত কোনোবা নহয়, কোনোবা হয়তো আছিল অসমত। সেই সূত্ৰে তেওঁলোক গুছি আহে।

এইখিনিতেই তোমালোকক কওঁ যে, আমাৰ দেশত দহ বছৰৰ পাছে পাছে মানুহ গণি তালিকা প্ৰস্তুত কৰাৰ প্ৰচলন সেই বৃটিছ যুগৰ পৰাই আছে। ইয়াক কোৱা হয় census বা জনগণনা। কিমান মানুহ, কোনে কি ভাষাত কথা কয়, কাৰ কি পেচা, কোন গাঁৱত থাকে বা কোন চহৰত থাকে, কাৰ কি জাতি বা বৰ্ণ – এইবোৰ জনা যায় এই তালিকাৰ পৰা। ১৯৫১ চনত দেশজুৰি এইধৰণৰ গণনা হৈছিল। সেই তালিকাৰ ভিত্তিত অসমত তেতিয়াই নাগৰিকসকলৰ এখন তালিকা প্ৰস্তুত কৰা হৈছিল। বৃটিছ যুগৰ পৰাই অসমৰ

মানুহৰ আচলতে ভয় যে বাহিৰৰ মানুহ আহি তেওঁলোকৰ ভেটি – মাটি, চাকৰি সকলো লৈ যাব। বিশেষকৈ তেওঁলোকৰ বাঙালীসকলক লৈ দুশ্চিন্তা। শিক্ষিত বাঙালীসকলে চাকৰি লৈ যাব, বাঙালী খেতিয়কে নিব মাটি, এই আশংকা অসমীয়া সমাজত পুৰণি। দেশ বিভাজনৰ সময়ত যেতিয়া পূৰ্ব বংগৰ পৰা শৰণাৰ্থী আহিবলৈ ধৰিলে, এই সংশয় আৰু বাঢ়িল। সেয়ে অসমত আৰম্ভ হ'ল তালিকা বনোৱাৰ কুচকাৱাজ। কিন্তু সেই তালিকা বেছিদিন বৰ্তাই ৰাখিব পৰা হোৱা নাছিল। এইবাৰ ১৯৭১ চনৰ পাছৰ পৰা আকৌ তালিকাৰ কথা আলোচিত হ'ল। এই তালিকাৰ ভিত্তিত চৰকাৰে ঠিৰাং কৰি পেলাব যে এতিয়া কাক নাগৰিক বুলি কোৱা হ'ব আৰু কাক কোৱা হ'ব অনুপ্ৰৱেশকাৰী। আগতেই কৈছো, তেনেকৈ আকৌ নতুন তালিকা, নতুন নিয়ম মানেই কিছু মানুহ নাগৰিক তালিকাৰ পৰা বাদ পৰি যোৱা। আৰু তেনেকুৱাই হ'ল। কিন্তু তালিকা বনোৱা কামটো এদিনীয়া নহয়। তালিকাৰ কাম আৰম্ভ কৰোতে দেৰি হয়,ইফালে আকৌ ১৯৭১ ত সীমা পাৰ কৰি যিসকল আহিছিল, তেওঁলোক তেতিয়ালৈকে অসমতে থাকিল ল'ৰা – ছোৱালী, ঘৰ –সংসাৰ লৈ।

এইবোৰক লৈ ১৯৮০ ৰ দশকত অসমত ঘোৰ গণ্ডগোল লাগিল। এদল ছাত্ৰ – ছাত্ৰীয়ে আন্দোলন কৰিবলৈ আৰম্ভ কৰিলে এই দাবীত যে আন দেশৰ পৰা অহা মানুহক কোনোপধ্যে এই দেশত স্থান দিব পৰা নাযাব। তেওঁলোকে দাবী কৰিলে যে এওঁলোক

সকলোকে ওভতাই পঠাব লাগিব। চৰকাৰে এনে অৱস্থাত কি কৰিলে কোৱাচোন? এফালে চৰকাৰে ভাবিলে যে ইমানবোৰ মানুহক যদি ভোটাধিকাৰ দিয়া যায়, তেনেহ'লে তেওঁলোকে আমাকেই ভোট দিব। কিন্তু সিফালে ছাত্ৰ – ছাত্ৰীসকলে এনে আন্দোলন আৰম্ভ কৰিলে যে চৰকাৰে একো নকৰিলেই নহয়। এতিয়া চৰকাৰে ১৯৮৩ চনত আই এম ডি টি আইন (Illegal Migrants Determination by Tribunals (IMDT) Act) বনাই ক'লে যে অসমৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা লোৱা হ'ব।কোন বিদেশী সেয়া বিচাৰ কৰি চোৱা হ'ব। সকলোৱে নাগৰিক হিচাপে থাকিব নোৱাৰিব। কিন্তু এইক্ষেত্ৰত প্ৰতিৱেশী বা সেই অঞ্চলৰ মানুহৰ কথা শুনা হ'ব। তেওঁলোকে যদি আপত্তি কৰে, তেতিয়াহে সমস্যা। নহ'লে সমস্যা নহয়। কিন্তু যিসকল লোক বছৰ বছৰ ধৰি একেটা অঞ্চলত আছে, একেলগে কিমান উঠা বহা, তেওঁলোকৰ বিৰুদ্ধে কোনোবাই ইমান সহজতে অভিযোগ কৰিব জানো ? সেয়ে আচলতে এনেকুৱা বিচাৰত তেনেকৈ কাকো বাদ দিয়া নহ'ল। সকলো দিশ মোটামুটি ৰক্ষা কৰাৰ চেষ্টা চলোৱা হ'ল।

কিন্তু ইমান বছৰৰ ইমান ধৰণৰ অভাৱ – অভিযোগ জানো ইমান সহজতে মীমাংসা কৰিব পাৰি? যিসকলৰ কেৱল এনে মত যে অসমত বাহিৰৰ মানুহ সোমাই পৰিছে, তেওঁলোকে সহজতে সংগ্ৰাম বন্ধ কৰিবলৈ ৰাজি নাছিল।তেওঁলোকে তেতিয়াও কৈ থাকিল যে অসমত থকাৰ অধিকাৰ কেৱল তেওঁলোকৰহে আছে। আনবোৰ বহিৰাগত, বাহিৰৰ পৰা

আহিছে। তেওঁলোক উভতি যাব লাগিব। সেয়েহে এই মানুহবোৰক লৈ টনা আজোৰা চলিয়েই থাকিল। ১৯৮৩ ৰ আইনৰ বিৰুদ্ধে আন্দোলনো চলি থাকিল। কোৰ্ট – কাছাৰী, মামলা – মোকৰ্দমাও আৰম্ভ হয়। ২০০৫ ত কোৰ্টৰ তৰফৰ পৰা কোৱা হয়, এই আইন নচলিব। নানান ধৰণৰ আইন বনায়ো সমস্যাৰ সমাধান কৰিব পৰা নহ'ল । ইতিমধ্যে চৰকাৰো সলনি হ'ল। শেষত ২০১৩ চনত তালিকাৰ প্ৰস্তুতি আৰম্ভ হ'ল আৰু ২০১৯ ৰ ৩১ আগষ্টত নাগৰিকসকলৰ নতুন তালিকা ওলাল। এয়াই সেই NRC, যাৰ বিষয়ে অলপ আগতে তোমালোকে পঢ়িলা। অসম প্ৰদেশত বহু বছৰ ধৰি যিহেতু কোন নাগৰিক আৰু কোন বাহিৰৰ পৰা অহা মানুহ, তাক লৈ সমস্যা আছিল, সেয়ে তাত এই তালিকা তৈয়াৰ কৰাৰ কথা হ'ল। সেই NRC তালিকাত কিমান মানুহ বাদ পৰিল, সেয়া আৰু নোকোৱাই ভাল। এবাৰ ভাবি চোৱা, যিসকল বাদ পৰিল তালিকাৰ পৰা তেওঁলোক হয়তো এই দেশৰ নাগৰিক হিচাপে থাকিবই নোৱাৰিব। দেশতেই তেওঁলোক হৈ পৰিল বিদেশী। চৰকাৰে কৈ দিলে যে তালিকাৰ পৰা যিসকলৰ নাম বাদ পৰিছে তেওঁলোক এই দেশৰ নাগৰিক নহয়। তাৰ মানে বাদ পৰা মানুহবোৰ চৰকাৰৰ চকুত হৈ পৰিল অনুপ্ৰৱেশকাৰী। অৰ্থাৎ বে- আইনীভাৱে সোমাই পৰা মানুহ। তেওঁলোকৰ আৰু স্বাধীনভাৱে চলা ফুৰা কৰাৰ অধিকাৰ নাথাকিল। আৰু তেতিয়া তেওঁলোকৰ বাবে চৰকাৰে কোনো এক ঠাইত তৈয়াৰ কৰিলে detention camp বা বন্দী শিবিৰ। য'ত তেওঁলোকক আটক কৰি ৰখা

হ'ব বা detain কৰিব পৰা যাব। আগতে যি শৰণাৰ্থী শিবিৰৰ কথা পঢ়িছা, তাতকৈ এই কেম্প পৃথক। শৰণাৰ্থী কেম্পত মানুহে আশ্ৰয় পাইছিল, যিমানেই কমকৈ নহওক কিয় সাহায্য পাইছিল। আৰু ডিটেনশ্যন কেম্পলৈ লৈ যোৱাটো হ'ল বে- আইনী মানুহক শাস্তি দিয়া। এই ধৰণৰ ডিটেনশ্যন কেম্প অসমৰ উপৰি  দিল্লী, গোৱা, কৰ্ণাটক, মহাৰাষ্ট্ৰ, পঞ্জাৱ আৰু ৰাজস্থানতো তৈয়াৰ কৰা হৈছে।





## সীমান্ত

দুখন দেশৰ মাজত যেতিয়া সীমাৰেখা টনা হয়, সেই সীমা অতিক্ৰম কৰিবলৈ বিশেষ অনুমতিৰ দৰকাৰ হয়। এই কথা তোমালোকে জানাই। সেই অনুমতি মানুহৰ যাতায়তৰ বাবে যিদৰে লাগে, বস্তু – বাহানি বিক্ৰী কৰিবৰ বাবেও অনুমতিৰ প্ৰয়োজন হয়। দেশৰ নেতৃস্থানীয় লোকসকলৰ এটা ডাঙৰ কাম হ'ল এই কিনা বেচা যাতে তেওঁলোকৰ সুবিধা অনুযায়ী চলে, সেয়া নিৰীক্ষণ কৰা আৰু ইয়াৰ মূল লক্ষ্য ৰাজহ আদায়ৰ ব্যৱস্থা কৰা। ইয়াৰ বাবে অনেক পৰিকল্পনাও কৰিবলগীয়া হয়। ভাৰত – পাকিস্তান যেতিয়া দুখন দেশ হৈ গ'ল, তেতিয়া নতুন বাণিজ্যৰ পৰিকল্পনাও কৰিবলগীয়া হ'ল। একেদৰে পাকিস্তান আৰু বাংলাদেশ যেতিয়া দুখন দেশত পৰিণত হ'ল, তেতিয়াও একেই কাম কৰিবলগীয়া হৈছিল। কিন্তু যেতিয়াই দুখন দেশৰ মাজত বিবাদ লাগে, তেতিয়া বাণিজ্যক লৈ টনা টনি আৰম্ভ হয়। ভাৰত – পাকিস্তানৰ মাজত কাশ্মীৰক লৈ কাজিয়া হ'লেই দুই দেশৰ বাণিজ্যৰ মাজতো সমস্যা আৰম্ভ হয়। দুয়োখন দেশেই ভাবে যে সীমান্তত যদি শক্তি প্ৰদৰ্শন কৰা হয়, তেনেহ'লে আনখন দেশক উচিত শিক্ষা দিয়া হ'ব। দেশৰ নেতাসকলে কি সিদ্ধান্ত লৈছে, সেই খবৰ সকলো সময়তে সীমান্তত পোৱা নাযায়। ভাবি চোৱাচোন যে হঠাৎ এনেদৰে সীমাৰেখা টানিলে কি পৰিস্থিতি উদ্ভৱ হ'ব। পথ- ঘাট, নদী- নিজৰা আগৰ দৰেই থাকিব। যেনে ধৰা, আমাৰ দেশৰ উত্তৰত আছে হিমালয় পৰ্বত। সেই পাহাৰতো সীমাৰেখা টনা হ'ল। তাক লৈ ভাৰতৰ প্ৰতিবেশী ৰাজ্য পাকিস্তান আৰু চীনৰ লগত সমস্যা চলিয়েই

থাকে। এখন দেশে কয় এই অংশটো আমাৰ। আনখন দেশে কয় এই টুকুৰা আমাৰ। এই কাজিয়াৰ শেষ নাই। এই সকলোবোৰ যুঁজ বাগৰ কাজিয়াৰ মাজতেই অনুভৱ কৰিব লাগিব যে ব'ৰ্ডাৰৰ আশে পাশে থকা মানুহ তাৰ দৈনন্দিন জীৱনত কিমান সমস্যাত পৰে।

দেশৰ ব'ৰ্ডাৰ টনাৰ সময়ত এনেকুৱাও হয় যে এখন ঠাইৰ পৰা অন্য এখন ঠাইলৈ সামগ্ৰী প্ৰেৰণৰ বাবে থকা সৰু ৰাস্তাটো হয়তো অন্য দেশৰ মাজত সোমাই পৰিছে। তেতিয়া দুখন দেশৰ মাজত বুজা পৰা হয় যে সেই টুকুৰা পথ যেন অন্য দেশৰ ভিতৰেদি যাবলৈ দিয়া হয়। কিন্তু সেই যে ক'লো,যিমানেই লাইন টনা নহওক কিয়, সকলো সময়তে এই স্থিতি বজাই ৰখাটো সম্ভৱ নহয়। এইধৰণৰ এটা কাহিনী কও শুনা। ১৯৪৭ চনত দেশ বিভাজন হ'ল। পূৱ পাকিস্তানত পৰিছে সান্তাহাৰ নামৰ পূৰ্ব বংগৰ এখন ঠাই। ইফালে অসমৰ পৰা কলিকতাৰ বজাৰলৈ যি আলু পঠোৱা হয়, সেয়া যাব লাগে সান্তাহাৰ পাৰ হৈ। ১৯৪৮ চনৰ জুলাই মাহত পশ্চিমবংগ চৰকাৰে পাকিস্তানৰ চৰকাৰলৈ চিঠি লিখি জনালে যে তেওঁলোকৰ কৃষি বিভাগৰ এজন বিষয়াক যদি সান্তাহাৰ ৰে'ল ষ্টেচনত থকাৰ অনুমতি দিয়া হয়, তেনেহ;লে সুবিধা হয়। সেই বিষয়াজনে আলু ব্যৱসায়ৰ ওপৰত নজৰ ৰাখিব পাৰিব। ৰে'ল বিভাগকো এই খবৰ দিয়া হ'ল। তাৰ পৰা কি জনা গ'ল, সেয়া জানিলে তোমালোক আচৰিতেই হ'বা। জনা গ'ল যে এই ধৰণৰ এজন ভাৰতীয় বিষয়া সান্তাহাৰ ষ্টেচনত আছেই। কিন্তু তেওঁৰ থকাৰ কথা কোনো এখন দেশৰ চৰকাৰে গমেই পোৱা নাই। পাকিস্তান চৰকাৰে তেওঁক থকাৰ অনুমতি দিয়া নাই আৰু পশ্চিমবংগ চৰকাৰেতো তেওঁৰ খবৰ নাজানে বাবেই

চিঠি লিখিছে। তেনেহ'লে তেওঁক কোনে তাত থাকিবলৈ দিলে? তাৰ সঠিক উত্তৰ কাৰো ওচৰতেই নাছিল। তাৰ মানে ব'ৰ্ডাৰ এলেকাত যি যি প্ৰয়োজন হৈছিল, সেয়া দূৰ কৰিবলৈ তাত যিসকল দায়িত্বত আছিল, তেওঁ সেই সময়ৰ মতেই ব্যৱস্থা কৰি লৈছিল।

এতিয়া চোৱা এই দেশৰ ব'ৰ্ডাৰ কিমান এটা দৃঢ় আৰু কঠিন বিষয় বুলি আমি ভাবিছিলো। চৰকাৰে সকলো সময়তে ব'ৰ্ডাৰক শক্তিশালী কৰিবলৈ বিচাৰে। ব'ৰ্ডাৰ অঞ্চলত দুখন দেশৰ মাজত যি ব্যৱসায় চলে, তাৰ নিয়ম মাজে সময়ে সলনি কৰা হয়। কি কি বস্তু অন্য দেশত বিক্ৰী কৰিব পাৰি বা নোৱাৰি, সেয়াও সালসলনি কৰা হয়। কিন্তু বুজিব পাৰি যে এই ধৰণৰ সকলো খবৰ সীমান্তবাসী মানুহে সময়মতে লাভ নকৰে। এই মানুহবোৰ মহা বিপদত পৰে। একো নজনাকৈয়ে কেতিয়াবা তেওঁলোকে নিয়ম উলংঘা কৰে। চৰকাৰৰ ওচৰত সকলো সময়তে খবৰ নাথাকে যে সীমান্তৰ মানুহবোৰে কি কৰিছে, ক'ত আছে। সামগ্ৰী লেনদেনৰ ওপৰত যিমান নিয়ম জাপি দিয়া হয়, সিমান নিয়ম মানুহৰ আহ যাহৰ ক্ষেত্ৰতো দিয়া হয়। সীমান্ত অঞ্চলত থকা মানুহৰ জীৱন যেনেকৈ চলিছিল, সেয়া হঠাৎ সলনি হৈ যায়। সীমান্তত বসবাস কৰা লোকসকলৰ সুবিধা – অসুবিধালৈ চাই নিয়ম প্ৰস্তুত কৰা হয় বুলি ভাবি লোৱাটোও আচলতে সঠিক নহয়। সীমান্তৰ নাগৰিকসকলে যেতিয়া তেওঁলোকৰ বাবে নিয়ম সলনি হোৱাৰ খবৰো সঠিক সময়ত লাভ নকৰে, তেতিয়া তেওঁলোকে দেশৰ অন্য প্ৰান্তৰ নাগৰিকৰ দৰেই সা- সুবিধা লাভ কৰি থকা বুলি ভাবি লোৱাটো ভুল হ'ব। সীমান্তৰ মানুহে চৰকাৰৰ নজৰৰ পৰা আঁতৰত অন্যধৰণে জীৱন যাপন কৰি থাকে।

তেওঁলোকৰ দৈনন্দিন জীৱনত আশে পাশে থকা লোকসকলৰ লগত নানান লেনদেন চলিয়েই থাকে। ইয়াৰ বাহিৰে আন একো উপায়ো নাথাকে।

ইমানপৰে তোমালোকে নিশ্চয় বুজিব পাৰিছা যে দেশৰ ভিতৰত সকলো নাগৰিকে সমান অধিকাৰ লৈ স্বাধীনভাৱে থাকিব নোৱাৰে৷ চৰকাৰৰ অনেক নীতি নিয়মৰ হেঁচাত পৰি একো একোটা ঠাইত একো একোটা জনগোষ্ঠী একো একোটা নিৰ্দিষ্ট ধৰণে থাকে। কোনে কেতিয়া অধিকাৰ পাব, কেতিয়া কাৰ অধিকাৰ কাঢ়ি নিয়া হ'ব, সেয়া দেশৰ চৰকাৰ নাইবা যাৰ হাতত ক্ষমতা আছে সেইসকল নাগৰিকে বহু সময়ত ঠিক কৰে। আৰু সেই কামটো কৰিবলৈ আইনৰ সাল সলনিও কৰা হয়। সীমান্ত যেতিয়া চৰকাৰে খুব শক্তিশালীভাৱে তৈয়াৰ কৰাৰ চেষ্টা কৰে। তেতিয়া দেশৰ মানুহেও সীমাৰ সঠিক দিশতে যে তেওঁলোক আছিল, সেয়া প্ৰমান কৰিব যাবলগীয়া হয়। কোনোবাই বেছিকৈ, কোনোবাই কমকৈ, আন কোনোবাই বাৰে বাৰে প্ৰমান কৰিবলগীয়া হয়। আমাৰ দেশত সেই দেশ বিভাজনৰ সময়ৰ পৰাই 'শৰণাৰ্থী', 'বিদেশী' অথবা 'অনুপ্ৰৱেশকাৰী', এইধৰণৰ নানা ৰকমৰ শব্দৰ ব্যৱহাৰৰ মাধ্যমেৰে দেশৰ মানুহক নাগৰিকৰ অধিকাৰৰ পৰা বঞ্চিত কৰা হৈ আহিছে। এইধৰণৰ নিয়ম – কানুনৰ বিৰুদ্ধে সাধাৰণ মানুহে সমানে যুঁজ কৰি আছে, ইয়াৰ বাবে তেওলোকে শাস্তিও ভোগ কৰিবলগীয়া হৈছে। এইফালে, সীমান্তৰ মানুহে দৈনন্দিন জীৱনত যেনেদৰে নিজৰ ব্যৱস্থা নিজেই কৰিছে, এতিয়াও তেনেকৈয়ে চলিছে। চৰকাৰে আইন তৈয়াৰ কৰি ক্ষমতা বজাই ৰখাৰ চেষ্টা কৰে ঠিকেই কিন্তু মানুহে নিজৰ সুবিধা – অসুবিধা অনেক

সময়ত নিজেই দূৰ কৰি ল’বলগীয়া হয়। নাগৰিকসকলৰ কথা পঢ়িলে বুজা যাব যে সেই ইতিহাস একেধৰণৰ নহয়। এডাল সৰলৰেখাৰ দৰে নহয়। আৰু এনে লাগিব যেন এখন মস্ত ছেকনিয়ে সকলো সময়তে ছেকি আছে। ১৯৪৭ ৰ পৰা ২০১৯ চনলৈ,চনৰ পাছত চন ধৰি, বছৰৰ পাছত বছৰ ধৰি  সাধাৰণ নাগৰিকৰ প্ৰমানপত্ৰ, নানান ধৰণৰ কাগজ পত্ৰ গোটোৱাৰ কাহিনী যেন শেষ হ’ব বিচৰা নাই। নাগৰিকত্ব আৰু তাৰ ছেকনি এইসকল মানুহৰ জীৱনৰ আটাইতকৈ ডাঙৰ পৰীক্ষা। ছেকনিত বৈ গ’লেই হ’ল আৰু! এই ছেকনিয়ে যাতে দেশৰ মানুহক বিপদত নেপেলায়, সেই চেষ্টা কৰি যোৱাটো আমাৰ সকলোৰে কাম আৰু সকলো নাগৰিকৰ দায়িত্ব।



## শেষৰ কথা

ইমান সময় ধৰি যে ইমানবোৰ কথা ক'লো, তোমালোকে হয়তো ভাবিছা যে এই কথাবোৰ কেনেকৈ জানিবলৈ পোৱা গ'ল? হয়তো বহুতে মনেসজা কাহিনী বুলিও ভাবিছে। কিন্তু তেনেকুৱা মুঠেই নহয়। অৰ –তৰ পৰা কিদৰে খবৰ জোগাৰ কৰিছো, এতিয়া সেইটোও কও শুনা। যেনে ধৰা, মালো পাহাৰৰ কথা আমি জানিব পাৰিলো বিখ্যাত ইতিহাসবিদ উইলেম ভ্যান শেন্ডেলৰ কিতাপ The Bengal Borderland : Beyond State Nation in South Asia ৰ পৰা। এই কিতাপখনতেই সান্তাহাৰৰ কথাও পালো। অসম সম্বন্ধে অনেক কথাই জানিব পাৰিলো সমাজবিজ্ঞানী নীৰজ গোপাল জয়ালৰ কিতাপৰ পৰা, যাৰ নাম Citizenship and Its Discontents : An Indian History। এই কিতাপখনৰ পৰাই নাগৰিক আইন সন্দৰ্ভতো জানিব পাৰিলো।

ইয়াৰ বাহিৰেও অনেক কিতাপ কামত লগালো। যি কিতাপৰ পৰা দেশ স্বাধীন হোৱাৰ সময়ত কিদৰে ভোটৰ বন্দবস্ত কৰা হ'ল, নাগৰিকৰ বাবে কি ধৰণেৰে নিয়ম – কানুন ঠিক কৰা আৰম্ভ হ'ল, এই সকলো কথা ভালদৰে জানিব পাৰিলো। সেয়া লিখিছে অৰনিট শানি নামৰ আন এজন ইতিহাসবিদে। কিতাপখনৰ নাম – How India Become Democratic:

Citizenship and the making of the Universal Franchise।

ইয়াৰ পৰা তোমালোকে নিশ্চয় বুজিবই পাৰিছা যে ইতিহাসৰ যি কোনো কথা যেনেকৈ তেনেকৈ ক'ব নোৱাৰি। নানান লেখা, দলিল দস্তাবেজ, পণ্ডিতৰ কিতাপ-পত্ৰ, খবৰ কাগজ বিলাক ওলট পালট কৰি চাবলগীয়া হয়। কোনো কথা কোনোবাই কৈ দিলেই বিশ্বাস কৰি লোৱাটো উচিত নহয়। বহুতে ক'লেও বিশ্বাস কৰিব নোৱাৰি। এনে কথাৰ সত্যতা নিৰূপন কৰাৰ পাছতহে বিশ্বাস কৰি ল'ব পাৰি৷

এই কিতাপখন লিখোতে আমাক বহুতে সহায় কৰিছে। ভুল ধৰি দেখুৱাইছে, কিদৰে লিখিলে ভাল হয় সেয়াও জনাইছে। বিশেষভাৱে যিসকলৰ কথা ক'বই লাগিব, তেওঁলোক হ'ল সুভাষ ৰঞ্জন চক্ৰৱৰ্তী, ৰাজৰ্ষি দাসগুপ্ত, কৃত্তিকা সেনগুপ্ত, শৌভিক বন্দোপাধ্যায়, অচিন চক্ৰৱৰ্তী, সেমন্তী ঘোষ, মানবী মজুমদাৰ, সাবিৰ আহমেদ, প্ৰিয়ংকৰ দে', উপনীতা মুখাৰ্জী, সুপূৰ্ণা বেনাৰ্জী, পাৰমিতা চক্ৰৱৰ্তী, মধুমিতা বসু, অমিতাভ গুপ্ত, আৰ্শি পাৰভিন গুপ্ত, ৰাইশা মজুমদাৰ, ঐশী দত্ত, ৰূপকথা, মোহৰ সেনগুপ্ত, অন্বেষা সেনগুপ্ত আৰু দেবাৰতি বাগচী। সকলোৰে ওচৰত আমি কৃতজ্ঞ।

এই কিতাপখন অসমীয়াত প্ৰকাশ কৰি উলিওৱাত বনানী চক্ৰৱৰ্তী, শান্তনু ফুকন, গ'ৰ্কী চক্ৰৱৰ্তী, হুছেইন মহম্মদ ছাহজাহানে আমাক বিশেষভাৱে সহায় কৰিছে।

## লেখক আৰু শিল্পী পৰিচয়

এই কিতাপখনৰ লিখক তিস্তা দাস। তিস্তাই বানকুড়া বিশ্ববিদ্যালয়ত ইতিহাস পঢ়ায়।

কিতাপখনৰ চিত্ৰ পৰিকল্পনা, প্ৰচ্ছদ ৰাছিম হেলালৰ। তেওঁ পেছাত এজন গ্ৰাফিক ডিজাইনাৰ। নানান দেশী বিদেশী প্ৰকাশন সংস্থাৰ সৈতে ৰাছিমে ছবি, প্ৰচ্ছদ আৰু চিত্ৰ পৰিকল্পনাৰ কাম কৰিছে।

কিতাপখনৰ ছবি আঁকিছে ৰঞ্জিত চিত্ৰকৰ আৰু চিৰাজউদ্দৌলা চিত্ৰকৰে। তেওঁলোক বংশ পৰম্পৰা অনুসৰি পটশিল্পী। পশ্চিম মেদিনীপুৰ জিলাৰ  পিংলা থানাৰ নয়া গ্ৰামৰ পৰা কাম কৰে ৰঞ্জিত আৰু চিৰাজউদ্দৌলাই। পটশিল্পৰ ঐতিহ্য অনুসৰি, তেওঁলোকে মূলতঃ হিন্দু দেৱ দেৱীৰ আখ্যান আঁকে আৰু তাক লৈ গান ৰচনা কৰে। এতিয়া তেওঁলোকে অন্যান্য বিষয় লৈও পট তৈয়াৰ কৰে। পটচিত্ৰ বংগৰ ধৰ্মীয় ঐতিহ্যৰ প্ৰমান। পটশিল্পীসকল ইছলাম ধৰ্মৰ হ'লেও তেওঁলোকে মূলতঃ হিন্দু ধৰ্মক কেন্দ্ৰ কৰি ছবি আঁকে আৰু গান ৰচনা কৰে। কেৱল সেয়াই নহয়, তেওঁলোকৰ নিজস্ব সামাজিক আখ্যান অনুসৰি, তেওঁলোক হিন্দু দেৱতা বিশ্বকৰ্মাৰ বংশধৰ। এইদৰে তেওঁলোকৰ জীৱন আৰু কামত ইছলাম আৰু হিন্দু ধৰ্ম সংপৃক্ত হৈ আছে।

The **Institute of Development Studies Kolkata (IDSK)** was set up in 2002 by the Government of West Bengal as an autonomous centre of excellence in social sciences. It is a society with an autonomous governing body with eminent scholars and Government's nominees. IDSK is recognized for its advanced academic research and informed policy advice in the areas of literacy, education, health, gender, employment, technology, communication, human sciences and economic development. The academic programmes at IDSK include MPhil (2006-2022) and PhD in social sciences and short training courses for research scholars. It offers state-of-the-art IT and library facilities to its students and research scholars. It is fully funded by the Government of West Bengal. IDSK has been recognized by the ICSSR under the category of "ICSSR Recognized Research Institutes".

The **Rosa Luxemburg Stiftung (RLS)** is a German political foundation that is part of the democratic socialist movement. True to the legacy of its namesake Rosa Luxemburg (1871-1919), it stands in solidarity with the workers' and women's rights movements. the organization serves as a forum for debate and critical thinking about political alternatives, as well as research centre for social development. The RLS has close ties to the German party DIE LINKE. RLS provides political education and a centre for advanced social research in both Germany and throughout the world. RLS is one of six party-affiliated political foundations in Germany; it supports partners in over 80 countries striving for social justice, strengthening public participation, and social ecological development.

চকু কান সজাগ কৰি ৰাখি ইতিহাস কেনেকৈ শিকিব পাৰি? ইতিহাস সচেতন বুলি কাক কোৱা হয়? এই প্ৰশ্নবোৰৰ উত্তৰ বিচাৰি পাবলৈ 'ইতিহাসৰ আদিপাঠ' চিৰিজৰ কথা ভাবিবা। একোখন কিতাপ একো একোটা বিষয়ক লৈ লিখা। লিখাৰ লগতে আছে শিল্পীসকলে অঁকা ছবি, পটচিত্ৰ। ইতিহাসৰ ভিন্ন সময়, নানান জটিল ধাৰণা সহজভাৱে বুজাই কোৱাটোৱেই এই কিতাপকেইখনৰ উদ্দেশ্য। কিতাপকেইখন পঢ়ি কণমানিসকলে প্ৰশ্ন কৰিবলৈ শিকিব – এইটোৱেই আমাৰ আশা।

ISK

ROSA LUXEMBURG STIFTUNG SOUTH ASIA